# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-12-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

**-------------------**
**::::::::::::::::::::**

১। অসম আন্দোলনত প্ৰাণ আহুতি দিয়া ছহিদক সুঁৱৰি ৰাজ্যজুৰি ছহিদ দিৱস পালন। গুৱাহাটীৰ বৰাগাঁৱত নিৰ্মিত ছহিদ স্মাৰক মুকলি।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ অসম আন্দোলনৰ ছহিদলৈ শ্ৰদ্ধাঞ্জলি।

৩। শত্ৰুপক্ষৰ আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ বায়ুসেনা বাহিনী সম্পূৰ্ণৰূপে সাজু বুলি ডিব্ৰুগড়ত এয়াৰ চীফ মাৰ্শ্বেল অমৰপ্ৰীত সিঙৰ মন্তব্য।

৪। গুৱাহাটীৰ খাৰঘুলিৰ জয়পুৰত ব্ৰহ্মপুত্ৰত পাঁচজন লোক সন্ধানহীন।

আৰু

৫। গুৱাহাটীত আজিৰে পৰা ভাৰতীয় গণ সংযোগ প্ৰতিষ্ঠানৰ উদ্যোগত আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সহযোগত আঞ্চলিক সামূহিক অনাতাঁৰ কেন্দ্ৰ সন্মিলন।

০০০০০

ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদৰ স্মৃতিত শ্ৰদ্ধা জনাই আজি ৰাজ্যজুৰি শ্বহীদ দিৱস পালন কৰা হয়। অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ এই আন্দোলনত অংশ লৈ জীৱন হেৰুওৱা আৰু কাললৈ ঘূণীয়া হোৱা ৮ শতাধিক লোকৰ ত্যাগ প্ৰতি শ্ৰদ্ধা জনাই এই দিৱস পালন কৰা হয়। ১৯৮৫ চনত অসম চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে অসম আন্দোলনৰ পৰিসমাপ্তি ঘটিছিল যদিও অসম আন্দোলনৰ ছহিদসকলে প্ৰাপ্য স্বীকৃতিৰ পৰা বঞ্চিত হৈছিল। শেহতীয়াকৈ অসম চৰকাৰৰ উদ্যোগত অসম আন্দোলনৰ ছহিদসকলৰ প্ৰকৃত সংখ্যা নিৰূপণ কৰা হ'ল আৰু তেওঁলোকৰ তথ্য প্ৰণালীবদ্ধভাৱে সংৰক্ষণ কৰা হ'ল। এই প্ৰয়াসৰ অংশ হিচাপে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত শ্বহীদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰি মুঠ ৮৬০ গৰাকী ছহিদৰ বহুসংখ্যকৰে প্ৰতিচ্ছবি সংৰক্ষণ কৰা হৈছে আৰু তেওঁলোকৰ আত্মবলিদানৰ বিষয়ে খোদিত কৰা হৈছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম বৰাগাঁৱত নিৰ্মিত এই শ্বহীদ স্মাৰক ক্ষেত্ৰ উদ্বোধন কৰে। তেওঁ লগতে স্মাৰক ক্ষেত্ৰত থকা শ্বহীদ প্ৰণাম জ্যোতিত অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত আত্মবলিদান দিয়া মহান শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। অসম আন্দোলনৰ ৮৬০ গৰাকী জাতীয় শ্বহীদৰ স্মৃতিত ১৭০ কোটি টকা ব্যয়েৰে ১৫০ বিঘাৰো অধিক ভূমি সামৰি এই স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ স্তম্ভ সাজি উলিওৱা হৈছে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে অসমৰ অস্তিত্ব সুৰক্ষাৰ অগ্ৰগামী যাত্ৰাৰ সেনানীসকলক স্মৰণ কৰি তেওঁলোকে দেখা সপোন ৰাজ্য চৰকাৰে পূৰণ কৰিবলৈ প্ৰয়াস কৰিছে বুলি প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীয়ে লগতে নিজৰ জাতি, মাটি আৰু ভেটি ৰক্ষাৰ বাবে ৰাজ্যখনৰ সকলো খিলঞ্জীয়া লোকক সজাগ সচেতন হবলৈ আহ্বান জনায়। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে ছহিদ স্মাৰক উদ্বোধন সন্দৰ্ভত এইদৰে মনৰ ভাৱ প্ৰকাশ কৰে।

বাইট

অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশ লৈ দিয়া ভাষণত অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰি কয় যে এই স্মাৰক নিৰ্মানে ছহিদসকলৰ ত্যাগৰ প্ৰতি যথোচিত শ্ৰদ্ধা প্ৰদৰ্শন কৰিছে। অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে আন্দোলন কৰি নিজৰ জীৱন পৰ্যন্ত ত্যাগ কৰা ছহিদসকলৰ সপোনক বাস্তৱায়িত কৰাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ লৈছে বুলি তেঁও উল্লেখ কৰে।

বাইট

অনুষ্ঠানত অসম চুক্তি ৰূপায়ন মন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্ত আৰু বন মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ ঠায়ে ঠায়ে অসম আন্দোলনৰ ৮৬০গৰাকী শ্বহীদক স্মৰণ কৰি আজি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ ব্যৱস্থাপনাত আজি কলিয়াবৰৰ কুঁৱৰীটোলৰ গান্ধী খেলপথাৰত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় ছহিদ দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। অসম গণ পৰিষদে আজি অসম আন্দোলনৰ ছহিদসকলক সুঁৱৰি দলটোৰ মুখ্য কাৰ্যালয়ত ছহিদ দিৱসৰ কাৰ্যসূচী পালন কৰে। এই অনুষ্ঠানত দলটোৰ সাধাৰণ সম্পাদক ডাঃ কমলা কান্ত কলিতা, মনোজ শইকীয়া, উপ-সভাপতি অপূৰ্ব ভট্টাচাৰ্য আদিয়ে অংশগ্ৰহণ কৰি ছহিদসকলক স্মৰণ কৰে।

শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত বৰ্ডিং খেলপথাৰত ছহিদ দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰা হয়। মন্ত্ৰী বিমল বৰাৰ উপস্থিতিত এই কাৰ্যসূচীত কেইবাগৰাকীও ছহিদৰ পৰিয়ালক সম্বৰ্দ্ধনা জনোৱা হয়। ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত চৌকিদিঙি খেলপথাৰত ছহিদ দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। এই কাৰ্যসূচীত মন্ত্ৰী প্ৰশান্ত ফুকনে অংশগ্ৰহণ কৰে। কাছাৰ জিলাতো আজি অসম আন্দোলনৰ ছহিদসকলক সুঁৱৰি ছহিদ দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। একেদৰে বিশ্বনাথ জিলা প্ৰশাসনৰ উদ্যোগত কাছাৰী ময়দানত অসম আন্দোলনৰ ৮৬০গৰাকী ছহিদক স্মৰণ কৰা হয়। ধেমাজি জিলাতো আজি প্ৰশাসনৰ উদ্যোগত মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত ছহিদৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। শ্ৰীভূমি জিলা প্ৰশাসনৰ উদ্যোগতো জিলা আয়ুক্ত কাৰ্যালয়ত ছহিদ দিৱস পালন কৰা হয়। যোৰহাট জিলাতো আজি অসম আন্দোলনৰ ছহিদসকলক সুঁৱৰি ছহিদ দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। এই কাৰ্যসূচীত মন্ত্ৰী নন্দিতা গাৰ্লোছা, বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী আদিয়ে অংশগ্ৰহণ কৰে। চৰাইদেউ জিলাৰ সোণাৰিৰ ভাগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী খেলপথাৰত অনুষ্ঠিত ছহিদ দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী যোগেন মহনে মুখ্য অতিথি হিচাপে উপস্থিত থাকি ছহিদলৈ শ্ৰদ্ধা নিবেদন কৰে। শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত তেজপুৰৰ ঐতিহাসিক চাৰ্চ্চ ফিল্ডত আয়োজিত ছহিদ দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী অশোক সিংহলে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত ১০ হাজাৰ লোকে ছহিদ প্ৰণামো তোমাক গীতটি একেলগে গাই ছহিদৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আৰু ৰঙিয়া সম জিলাৰ সহযোগত ৰঙিয়া মহাবিদ্যালয় খেল পথাৰত দিনৰ ১১ বজাৰ পৰা শ্বহীদ দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হয়। গোৱালপাৰা জিলাতো জিলা প্ৰশাসনৰ উদ্যোগত গোৱালপাৰা চহৰৰ পি আৰ চৰকাৰী উচ্চতৰ আৰু বহুমুখী বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে শ্বহীদ দিৱস পালন কৰা হয়। একেদৰে ধুবুৰী জিলা প্ৰশাসনৰ উদ্যোগতো প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে শ্বহীদ দিৱস পালন কৰিবলৈ লোৱা হয়।

কোকৰাঝাৰত আয়োজিত ছহিদ দিৱসৰ কাৰ্যসূচীত বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীকে ধৰি বিভিন্নজনে সমস্বৰে ড০ ভূপেন হাজৰিকাৰ কণ্ঠৰ ছহিদ প্ৰণামো তোমাক শীৰ্ষক গীতটি পৰিবেশন কৰে। ৰাজ্যৰ আন আন স্থানতো আজি এই গীতটি পৰিবেশন কৰা হয়।

দক্ষিণ শালমাৰা মানকাচৰ জিলাতো ছহিদ দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বৰপেটাত এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ উপস্থিতিত সকলোৱে ছহিদ প্ৰণামো তোমাক গীতটি গাই অসম আন্দোলনৰ

ছহিদৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। দৰং জিলা প্ৰশাসনৰ উদ্যোগত মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজন কৰা ছহিদ দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী চৰণ বড়োৱে অংশগ্ৰহণ কৰে। তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ কচুবাৰীত থকা মহাপুৰুষ শ্ৰীশ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰৰ প্ৰেক্ষাগৃহত ছহিদ দিৱস পালন কৰা হয়।

অসম আন্দোলনৰ প্ৰথমগৰাকী ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ পৰিয়ালেও আজি অসম আন্দোলনৰ ছহিদলৈ শ্ৰদ্ধা নিবেদন কৰে। নলবাৰীৰ গৰ্ডন স্কুল খেলপথাৰত আয়োজিত ছহিদ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অসম আন্দোলনৰ ছহিদৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়। এই অনুষ্ঠানত ৩৫গৰাকী ছহিদৰ পৰিয়ালক সম্বৰ্দ্ধনা জনোৱা হয়। ওদালগুৰি জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ কলাইগাঁও ৰণথলীত ছহিদ দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰা হয়। চিৰাং জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ বিজনী ছোৱালী হাইস্কুল খেলপথাৰত বিভিন্ন কাৰ্যসূচীৰে ছহিদসকলক স্মৰণ কৰা হয়।

০০০০০

শ্বহীদ দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি অসম আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰসকলক স্মৰণ কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে দেশৰ ইতিহাসত অসম আন্দোলনৰ বিশেষ স্থান আছে। অসম আন্দোলনত অংশগ্ৰহণ কৰাসকলৰ সপোন পূৰ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ দোহাৰে। তেওঁ কয় যে ৰাজ্যখনৰ সৰ্বাত্মক উন্নয়ণ তথা সংস্কৃতি শক্তিশালী কৰি তোলাত চৰকাৰে অগ্ৰাধিকাৰ দি আহিছে।

ডনাৰ মন্ত্ৰী সিন্ধিয়াই সামাজিক মাধ্যমযোগে কয় যে ছহিদসকলে অসমৰ পৰিচয়, ভাষা আৰু সাংস্কৃতিক গৌৰৱ ৰক্ষা কৰাৰ বাবে দেখুৱাই থৈ যোৱা সাহসীকতা প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে সদায় অনুপ্ৰেৰণাৰ উৎস হৈ ৰব। মন্ত্ৰীগৰাকীয়ে লগতে ছহিদসকলৰ ত্যাগে অসমৰ জনসাধাৰণক এখন সমৃদ্ধিশালী আৰু সাংস্কৃতিকভাৱে প্ৰাণবন্ত অসম গঢ়ি তোলাৰ দিশত আগুৱাই লৈ যাব বুলি আশা প্ৰকাশ কৰে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ উদ্যোগত আজি ডিব্ৰুগড়ৰ মোহনবাৰী বায়ুসেনা ঘাটিত বিজয় দিৱস পালন কৰা হৈছে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি এয়াৰ শ্ব' প্ৰদৰ্শন কৰা হয়। এয়াৰ শ্ব'ত ছুখয়, এন্তন'ভ, এন -32 পৰিবহন বিমান, চিনুক, হেভিলীড হেলিকপ্তাৰ আৰু মীগ ১৭ হেলিকপ্তাৰে উৰণ কৌশল প্ৰদৰ্শন কৰে। অনুষ্ঠানত বায়ু সেনা বাহিনীৰ মুৰববী এয়াৰ ছীফ মাৰ্চেল অমৰপ্ৰীত সিং মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত বায়ু সেনা বাহিনীৰ মুৰববীগৰাকীয়ে কয় যে অপাৰেছন সিন্দূৰ এতিয়াও অব্যাহত আছে আৰু ভাৰতীয় বায়ু সেনা বাহিনী যিকোনো বহিঃ শত্ৰুৰ আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ সম্পূৰ্ণৰূপে সাজু।

**ৰাইট**

১৯৭১ চনৰ যুদ্ধত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ ঐতিহাসিক জয়ৰ চিনস্বৰূপে বায়ু সেনা বাহিনীৰ ইষ্টাৰ্ণ কমাণ্ডাৰ মুখ্য কাৰ্যালয়ে আয়োজন কৰা এই দিৱসৰ অনুষ্ঠানত প্ৰাক্তন সৈনিক, স্কুলীয়া শিক্ষাৰ্থী আৰু ভালেসংখ্যক অসামৰিক লোকে অংশগ্ৰহণ কৰে।

০০০০০

গুৱাহাটী মহানগৰীৰ খাৰঘুলিৰ জয়পুৰত আজি বিয়লি ৫ জন লোক সন্ধানহীন হৈছে। এন ডি আৰ এফে লোককেইজনৰ সন্ধানত নাৰেৰে অভিযান অব্যাহত ৰাখিছে। আমাৰ সংবাদদাতাই জনোৱা মতে, জয়পুৰত থকা ভক্তি কুটিৰ নামৰ এটা আধ্যাত্মিক প্ৰতিষ্ঠানলৈ যোৱা ৯ জন লোক ব্ৰহ্মপুত্ৰলৈ নামি যোৱাৰ পাছত ইয়াৰে ৪ জনে কথমপি প্ৰাণ ৰক্ষা কৰি উঠি আহে যদিও ৫ জনৰ এতিয়ালৈকে সন্ধান পোৱা হোৱা নাই।

০০০০০

গুৱাহাটী মহানগৰীৰ খ্ৰীষ্টানবস্তিত থকা শ্বোহম এম্প'ৰিয়া নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনত যোৱা নিশা সংঘটিত অগ্নিকাণ্ড বৰ্তমান নিয়ন্ত্ৰণলৈ অহা বুলি অগ্নি আৰু জৰুৰীকালীন সেৱাৰ উপ-সঞ্চালক নন্দ সিঙে আজি প্ৰকাশ কৰিছে। ঘটনাস্থলী পৰিদৰ্শন কৰি বিষয়াগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে যোৱা নিশা ১২ বজাৰ পৰা আজি পৰ্যন্ত ২২খন অগ্নিনিৰ্বাপক বাহিনীয়ে অট্টালিকাটোৰ দ্বিতীয় আৰু তৃতীয় মহলাত লগা জুই নিৰ্বাপিত কৰিবলৈ সমৰ্থ হৈছে। অৱশ্যে অট্টালিকাটোত থকা কাপোৰৰ গুডাম এটাত জুই লগাৰ বাবে ধোঁৱা নিৰ্গত হৈ থকা বুলি তেওঁ উল্লেখ কৰিছে। বৃহৎ অট্টালিকাটোত কেনেকৈ জুইৰ সূত্ৰপাত হ'ল সেয়া অনুসন্ধানৰ পাছতহে স্পষ্ট হ'ব বুলি শ্ৰীসিঙে প্ৰকাশ কৰিছে।

০০০০০

ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান- আই আই এম চিয়ে কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সহযোগত আজি আৰু কাইলৈ গুৱাহাটীত আঞ্চলিক সামূহিক অনাতাঁৰ কেন্দ্ৰ সন্মিলনৰ আয়োজন কৰিছে। ভাৰতত সামূহিক অনাতাঁৰ সেৱাৰ ২০ বছৰ পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এই সন্মিলনৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চলৰ সামূহিক অনাতাঁৰ কেন্দ্ৰৰ সৈতে জড়িত ব্যক্তি, প্ৰতিষ্ঠান, গণ মাধ্যমৰ শিক্ষক, চৰকাৰী প্ৰতিনিধি আৰু বিশেষজ্ঞসকলক একেখন মঞ্চত উপবিষ্ট কৰোৱা হৈছে। গুৱাহাটীৰ আজাৰাত আজি দিনৰ ১০ বজাত আৰম্ভ হোৱা এই সন্মিলনত আই আই এম চিৰ উপাচাৰ্য্য আৰু সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞাপালিৱাল গৌড়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰীমতী গৌড়ে সামুহিক অনাতাৰ সেৱাৰ বিকাশ সন্দৰ্ভত আলোকপাত কৰে। তেওঁ কয় যে উত্তৰ পূৰ্বাঞ্চলকে ধৰি দেশৰ বিভিন্ন ৰাজ্যত ৫৫০ টা সামুহিক অনাতাঁৰ কেন্দ্ৰ আছে। লিংগ সংবেদনশীল বিষয়ত সজাগতা প্ৰচাৰ কৰাৰ ক্ষেত্ৰত সামুহিক অনাতাঁৰ কেন্দ্ৰই বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে বুলি তেওঁ উল্লেখ কৰে। বিশেষকৈ ছাত্ৰ ছাত্ৰীসকলক জড়িত কৰোৱাই কৃত্ৰিম বুদ্ধিমত্তা আৰু প্ৰযুক্তিৰ বিভিন্ন দিশৰ সহায়ত সংস্কৃতি আৰু ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰতো এই সেৱাই বিশেষ ভূমিকা লব পাৰে বুলিও তেওঁ উল্লেখ কৰে। অনুষ্ঠানত আই আই এম চিৰ পঞ্জীয়ক এল মধুনাগে ভাৰতৰ অনাতাৰ সেৱাৰ ৰূপান্তৰ সাধনৰ যাত্ৰাৰ বিষয়ে উল্লেখ কৰে। একেদৰে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অৱৰ সচিব মহেন্দ্ৰ মীনাই সাম্প্ৰতিক সময়ত সামুহিক অনাতাৰ সেৱাক সমাজৰ একেবাৰে শেষৰ জনৰ সৈতে যোগাযোগৰ মাধ্যম বুলি অভিহিত কৰে। ০০০০

০০০০০

নাগালেণ্ডৰ কিছামাগাঁৱত অনুষ্ঠিত ঐতিহাসিক হৰ্ণবিল মহোৎসৱৰ আজি সামৰণি পৰিব। ইউনিটি প্লাজাত বিয়লি ৫ বজাৰ পৰা অনুষ্ঠিত সামৰণি অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ পৰ্যটন মন্ত্ৰী পাছাং দৰ্জী সোনা, ভাৰতত থকা মাল্টা গণৰাজ্যৰ উচ্চায়ুক্ত ৰিউবেন গৌচি আৰু আয়াৰলেণ্ডৰ উপ-ৰাষ্ট্ৰদূত ৰেমণ্ড মুল্লানে অংশগ্ৰহণ কৰে। আজি নিশাৰ ভাগত বছৰৰ শেষ উদযাপনৰ বাবে বিশেষ অনুষ্ঠান আৰু সংগীত, কলাৰ প্ৰদৰ্শন কৰা হ'ব। উল্লেখযোগ্য যে যোৱা ১ ডিচেম্বৰৰ পৰা অনুষ্ঠিত এই মহোৎসৱত নাগালেণ্ডৰ সংস্কৃতি, ঐতিহ্য আৰু জীৱন ধাৰাৰ প্ৰতিফলন ঘটাৰ লগতে দেশ বিদেশৰ বিভিন্ন বিশিষ্ট শিল্পীয়ে অনুষ্ঠান পৰিবেশন কৰে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে কামৰূপ জিলাত ই ভি এম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয় চৌহদত অৱস্থিত ই ভি এম গুডামঘৰত অহা ২৩ ডিচেম্বৰত এই পৰীক্ষণ কৰা হ'ব। এই পৰীক্ষণ কাৰ্য কামৰূপ জিলাৰ নিৰ্বাচনী বিষয়াৰ অধীনৰ অধীনত সম্পন্ন হ'ব।

০০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি লোক ভৱনত দৃষ্টিহীন মহিলাৰ টি-২০ ক্ৰিকেট বিশ্বকাপ জয়ী ভাৰতীয় দলৰ সদস্যা চিমু দাসক সম্বৰ্ধনা জনায়। খেলুৱৈগৰাকীক অভিনন্দন জনাই ৰাজ্যপালগৰাকীয়ে কয় যে চিমু দাস দেশৰ যুৱ প্ৰজন্মৰ প্ৰকৃত আদৰ্শ আৰু খেলুৱৈগৰাকীৰ যাত্ৰা, আশা, নিষ্ঠা আৰু ক্ৰীড়া উৎকৰ্ষৰ প্ৰতীক। তেওঁ

কয় যে চিমু দাসৰ লেখিয়া প্ৰতিভাবান খেলুৱৈসকলে অসমত ক্ৰীড়া উৎকৰ্ষ সাধনৰ প্ৰচেষ্টা অব্যাহত ৰাখিব আৰু গোলকীয় পৰ্যায়ত দেশৰ মান বৃদ্ধি কৰিব। তেওঁ লগতে খেলুৱৈগৰাকীৰ উজ্বল ভৱিষ্যত কামনা কৰে।

ooooo

সমাপ্ত